# ড° বীৰেন্দ্ৰ নাথ দত্ত, নীলমণি ফুকনক সম্বৰ্ধনা


(বাওঁপিনৰ পৰা) নয়ন প্ৰসাদ, ড° দত্ত, ড° শইকীয়া, শ্ৰীবসুমতাৰী আৰু শ্ৰীগগৈ

"অসমৰ ৰাইজৰ ওচৰত মই চিৰ ঋণী। ৰাইজৰ পৰা মই সদায় পাই অহা ইমান মৰম, চেনেহ, আদৰ, সন্মানৰ বাবে মই কিজানি যোগ্যই নহওঁ", অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ আগত এইদৰে নিজৰ অনুভৱ ব্যক্ত কৰে প্ৰসিদ্ধ কথাশিল্পী, লোক-সংস্কৃতি গৱেষক, গায়ক-সুৰকাৰ তথা সভাৰ প্ৰাক্তন সভাপতি ড° বীৰেন্দ্ৰ নাথ দত্তই। উল্লেখযোগ্য যে সভাৰ সভাপতি ড° শইকীয়াই যোৱা ৪ জানুৱাৰী, ২০২২ খ্ৰীষ্টাব্দ তাৰিখে দীৰ্ঘদিন ধৰি শাৰিৰীক অসুস্থতাৰ বাবে প্ৰায় শয্যাশয়ী হৈ থকা ড° বীৰেন্দ্ৰ নাথ দত্তৰ সৈতে শিলপুখুৰীত অৱস্থিত ড° দত্তৰ বাসগৃহত সৌহাৰ্দ্যমূলক সাক্ষাৎকাৰত মিলিত হয়। সভাৰ সাংস্কৃতিক উপ-সমিতি আৰু প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতিদ্বয় ক্ৰমে দেৱেন্দ্ৰ নাথ বসুমতাৰী, মুকুল চন্দ্ৰ গগৈ আৰু সচিব চন্দন শৰ্মাৰ সৈতে ড° দত্তৰ বাসগৃহত উপস্থিত হৈ ড° শইকীয়াই প্ৰথমেই তেওঁক এখন আৰনাই আৰু ফুলৰ থোপা উপহাৰ দিয়ে। প্ৰায় আধা ঘণ্টা ধৰি চলা কথা-বতৰাৰ মাজত কিছু আবেগিক হৈ পৰা ড° দত্তই তেওঁৰ অমৰ গীত 'অ' ধুন ধুনীয়া....', 'আকাশ আমাক অকণি আকাশ দিয়া....' আদি গুণগুণাই উঠে। সুৰকাৰ ৰমেন চৌধুৰীৰ সৈতে ড° দত্তই নিৰ্মাণ কৰা শ্ৰাব্য তথ্যচিত্ৰ 'মিউজিকেল হেৰিটেইজ অফ আসাম' সভাৰ নিৰ্মিয়মান ডিজিটেল আৰ্কাইভত সংৰক্ষণ কৰাৰ বাবে ড° শইকীয়াই তেওঁৰ সমুখত দাঙি ধৰা প্ৰস্তাৱক ইতিবাচক সঁহাৰি জনাই তেওঁ সভাৰ এনে পদক্ষেপক প্ৰশংসা কৰে। ড° শইকীয়াই তেওঁক জনায় যে এই তথ্যচিত্ৰখন ইউটিউব যোগে প্ৰসাৰণো ব্যৱস্থা কৰা হ'ব। সাক্ষাৎকাৰটিত ড° দত্তৰ পত্নী শ্ৰীমতী ইভা দত্ত আৰু অভিনেতা-নাট পৰিচালক নয়ন প্ৰসাদ উপস্থিত থাকে।

## নীলমণি ফুকনৰ বাসগৃহত সভাৰ সঁজাতি দল

যোৱা ৫ জানুৱাৰী, ২০২২ খ্ৰীষ্টাব্দ তাৰিখে জ্ঞানপীঠ বঁটা বিজয়ী কবি নীলমণি ফুকনৰ বাসগৃহত উপস্থিত হয় সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মা আৰু সচিব চন্দন শৰ্মা। উল্লেখযোগ্য যে সভাৰ যোৱা কাৰ্যনিৰ্বাহক সভাত কবি নীলমণি ফুকনক জ্ঞানপীঠ বঁটা লাভ কৰাৰ বাবে আনুষ্ঠানিক অভিনন্দন জ্ঞাপন কৰা সন্দৰ্ভত এটি প্ৰস্তাৱ গৃহীত হৈছিল আৰু সেইমৰ্মে সভাৰ সঁজাতি দলটি কবি ফুকনদেৱৰ বাসগৃহত উপস্থিত হয়।

পিছে কবি ফুকন অসুস্থ অৱস্থাৰ কাৰণে বিচনাত শুই থাকিবলগীয়া হোৱাত সঁজাতি দলটিয়ে তেওঁক লগ কৰাৰ পৰা বিৰত থাকে। ফুকনদেৱৰ পত্নী দুলুমণি ফুকন আৰু পুত্ৰ জ্যোতিৰ্ময় ফুকনে সঁজাতি দলটিক আদৰণি জনায়। সভাৰ তৰফৰ পৰা কবি ফুকনদেৱলৈ লৈ যোৱা স্মাৰক, আৰনাই, চেলেং চাদৰ আৰু ফুলৰ থোপা শ্ৰীমতী ফুকনৰ হাতত অৰ্পণ কৰে সভাৰ সভাপতি ড° শইকীয়া আৰু প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই।


ফুকনদেৱৰ পত্নী শ্ৰীমতী দুলুমণি ফুকনৰ হাতত ফুলৰ থোপা অৰ্পণ কৰিছে সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। পিছপিনে ফুকনদেৱৰ পুত্ৰ জ্যোতিৰ্ময় শইকীয়া